**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 3-07-2026 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজস্থান আৰু গুজৰাট ভ্ৰমণ কৰিব।

২। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে ভাৰত-ফ্ৰান্স কৌশলগত অংশীদাৰিত্বই দুয়োখন দেশৰ মাজৰ বহনক্ষম আৰু উদ্ভাৱনকেন্দ্ৰিক বিকাশৰ চালিকাশক্তি হিচাপে কাম কৰিব।

৩। যুৱ পৰিক্ৰমা বিভাগে নতুন দিল্লীত আজি মাই ভাৰতৰ অন্তৰ্গত ঔদ্যোগিক সংস্থাৰ এখন সমাৰোহ অনুষ্ঠিত কৰে।

৪। জম্মু-কাশ্মীৰৰ পেহেলগাম আৰু বালটল দুয়োটা পথেৰে আজি বাৰ্ষিক অমৰনাথ যাত্ৰা আৰম্ভ হ'ব।

আৰু

৫। ছুইজাৰলেণ্ড, স্পেইন আৰু পৰ্টুগালে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজস্থান আৰু গুজৰাট ভ্ৰমণ কৰিব। ৰাজস্থানত তেওঁ জয়পুৰ বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱনটো উদ্বোধন কৰিব। প্ৰায় ৪৮০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই ভৱনটোৰ জৰিয়তে বছৰি ২০ লাখ যাত্ৰী উপকৃত হ'ব। শ্ৰীমোদীয়ে যোধপুৰত উড়ান আঁচনিৰ নতুন ৰূপ মুকলি কৰিব। এই আঁচনিৰ জৰিয়তে বিমান পৰিবহন ক্ষেত্ৰক বিকশিত কৰাৰ লক্ষ্য লোৱা হৈছে। এই ভ্ৰমণ কালতে তেওঁ ৰাজ্যখনৰ বালোট্ৰাত প্ৰায় ১ লাখ ছহেজাৰ কোটি টকাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব। এই প্ৰকল্পসমূহে পেট্ৰ'কেমিকেল, নগৰ পৰিবহন, ৰেলৱে, পথ, পুনৰ নবীকৰণযোগ্য শক্তি, শক্তি ৰূপান্তৰ আদি বিভিন্ন খণ্ডক সামৰি ল'ব। দেশৰ শক্তি আৰু পেট্ৰ'কেমিকেল খণ্ডই বৃহৎ সাফল্য হিচাপে প্ৰধানমন্ত্ৰীয়ে বালোট্ৰাৰ পাছপাড্ৰাত দেশৰ প্ৰথমটো গ্ৰীনফিল্ড শোধনাগাৰ তথা পেট্ৰ'কেমিকেল প্ৰকল্পটো ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰিব। তেওঁ ১৩ হাজাৰ কোটিৰো অধিক টকাৰ ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া জয়পুৰ মেট্ৰ' ৰে'ল প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। প্ৰহ্লাদপুৰৰ পৰা তোড়িমোৰলৈ নিৰ্মাণ কৰিবলগীয়া এই দ্বিতীয় পৰ্যায়ৰ ৪১ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-দক্ষিণ মেট্ৰ' কৰিড'ৰে সীতাপুৰা আৰু বিশ্বকৰ্মা ঔদ্যোগিক অঞ্চলৰ মাজৰ ৩৬টা ষ্টেচনক সংযোগ কৰিব। প্ৰধানমন্ত্ৰীয়ে ৰাজস্থান চৰকাৰৰ বিভিন্ন বিভাগত নিযুক্তি দিবলগীয়া প্ৰায় ৫৪ হাজাৰ যুৱক-যুৱতীৰ মাজত নিযুক্তি পত্ৰও বিতৰণ কৰিব।

ৰাজস্থান ভ্ৰমণ সামৰি সন্ধিয়া প্ৰধানমন্ত্ৰী গুজৰাটলৈ যাব। গুজৰাটৰ সানন্দত তেওঁ ছেমিকণ্ডাক্টৰ প্ৰকল্প উদ্বোধন কৰিব। এই প্ৰকল্প ভাৰতৰ ছেমিকণ্ডাক্টৰ নিৰ্মাণ যাত্ৰাৰ মাইলৰ খুটি হিচাপে বিবেচিত হৈছে। ইয়াৰ জৰিয়তে বিশ্বৰ ছেমিকণ্ডাক্টৰ ক্ষেত্ৰত ভাৰতৰ স্থান সুদৃঢ় হ'ব বুলি আশা কৰা হৈছে। এই প্ৰকল্পটো ৭ হাজাৰ ৫০০ কোটি টকাৰো অধিক ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে।

০০০০০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে ভাৰত-ফ্ৰান্স কৌশলগত অংশীদাৰিত্বই দুয়োখন দেশৰ মাজৰ বহনক্ষম আৰু উদ্ভাৱনকেন্দ্ৰিক বিকাশৰ চালিকাশক্তি হিচাপে কাম কৰিব। পেৰিছত অনুষ্ঠিত ভাৰত-ফ্ৰান্স ব্যৱসায় ঘূৰণীয়া মেজমেলত ভাষণ দি তেওঁ কয় যে প্ৰযুক্তিগত বিকাশ, যোগান শৃংখলৰ বৈচিত্ৰ্য, শক্তি ৰূপান্তৰকৰণ আৰু ভূ-ৰাজনৈতিক বিকাশৰ বাবে বৈশ্বিক অৰ্থনীতি সম্প্ৰতি খৰতকীয়া ৰূপান্তৰৰ দিশে গতি কৰিছে। বিত্ত মন্ত্ৰীগৰাকীয়ে ফ্ৰান্সৰ ব্যৱসায়ী আৰু বিনিয়োগকাৰীসকলক বিকশিত ভাৰত ২০৪৭ৰ যাত্ৰাত ভাৰতৰ সৈতে অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনায়। দুয়োখন দেশৰ সমৃদ্ধিৰ বাবে তেওঁ ভাৰত-ফ্ৰান্স কৌশলগত অংশীদাৰিত্বক শক্তিশালী কৰাত গুৰুত্ব দিয়ে। তেওঁ কয় যে ভাৰত আৰু ফ্ৰান্সে বিশ্বৰ কৃত্ৰিম বুদ্ধিমত্তা ব্যৱস্থাক বিকাশ কৰাৰ বাবে অংশীদাৰিত্বৰে কাম কৰি আছে। এই অংশীদাৰিত্বই বিশ্বাসযোগ্য কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল আন্তঃগাঁথনি আৰু নতুন নতুন প্ৰযুক্তিৰ বিকাশত সহায় কৰিব বুলিও শ্ৰীমতী সীতাৰমনে উল্লেখ কৰে।

অৰ্থনৈতিক সম্বন্ধৰ বিকাশত আলোকপাত কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে দুয়োখন দেশৰ মাজত থকা দ্বিপাক্ষিক বাণিজ্য বিগত দশকত দুগুণ হৈছে। তেওঁ ভাৰতত সম্প্ৰতি ফ্ৰান্সৰ প্ৰায় এহেজাৰ কোম্পানীয়ে কাম কৰি আছে বুলি উল্লেখ কৰে। তেওঁ কয় যে ভাৰত বৰ্তমান আগশাৰীৰ ডিজিটেল অৰ্থনীতি হিচাপে উদ্ভাসিত হৈ উঠিছে। এই ক্ষেত্ৰত তেওঁ আধাৰ, ইউ পি আই, ডি জি লকাৰ, অ' এন ডি চি আৰু ইণ্ডিয়া ষ্টেকৰ উদাহৰণ দিয়ে। তেওঁ লগতে কয়, যে বিশ্বৰ সামগ্ৰিক ডিজিটেল লেনডেনৰ প্ৰায় ৫০ শতাংশই ভাৰতত হয়।

শ্ৰীমতী সীতাৰমণে কয়, যে ভাৰতৰ পৰিষ্কাৰ শক্তিৰ বিকাশে পুনৰ নৱীকৰণ শক্তি, সেউজ হাইড্ৰজেন, বেটাৰী ষ্টোৰেজ, উপকূলীয় বতাহ আৰু স্মাৰ্ট গ্ৰীডৰ ক্ষেত্ৰত বিনিয়োগৰ সুযোগ মুকলি কৰিছে। আন্তৰ্জাতিক বিত্তীয় সেৱা কেন্দ্ৰ কৰ্তৃপক্ষৰ বিকাশতো বিত্তমন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে। তেওঁ কয়, যে চলিত বছৰৰ জুনলৈকে এহেজাৰ ২০০ ৰো অধিক পঞ্জীয়নেৰে এই সেৱা কেন্দ্ৰ আগশাৰীৰ গোলকীয় বিত্তীয় হাব হিচাপে পৰিগণিত হৈছে। এই সংস্থাৰ ১১১ বিলিয়ন ডলাৰৰ বেংকিং সম্পত্তি আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে ইয়াৰ সামগ্ৰিক বেংকিং লেন-দেনে ১৭৬ বিলিয়ন ডলাৰ স্পৰ্শ কৰিছে।

000000000

জাপানৰ বিভিন্ন বাতৰি কাকত আৰু সংবাদ মাধ্যমে নতুন দিল্লীত অনুষ্ঠিত যোড়শ ভাৰত-জাপান বাৰ্ষিক শীৰ্ষ সন্মিলনৰ বিষয়ে যোগাত্মক বাতৰি পৰিৱেশন কৰিছে। এই সন্মিলনত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক খৰতকীয়া বিকাশ সাধনেৰে বিভিন্ন কৌশলগত আৰু অৰ্থনৈতিক খণ্ডলৈ সম্প্ৰসাৰণ কৰাৰ প্ৰয়াস কৰা হয়। এই সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচিয়ে দ্বিপাক্ষিক সম্পৰ্কৰ পুংখানুপুংখ পৰ্যালোচনা কৰে।

000000000

যুৱ পৰিক্ৰমা বিভাগে নতুন দিল্লীত আজি মাই ভাৰতৰ অন্তৰ্গত ঔদ্যোগিক সংস্থাৰ এখন সমাৰোহ অনুষ্ঠিত কৰে। প্ৰখ্যাত ঔদ্যোগিক সংস্থা বিশেষকৈ ASSOCHAM, FICCI, CAIT আৰু CII আদিয়ে এই সমাৰোহত অংশগ্ৰহণ কৰে। ঔদ্যোগিক অংশীদাৰিত্ব আৰু ঔদ্যোগিক সংস্থা, কৰ্প'ৰেট গোষ্ঠী আৰু ৰাজহুৱা খণ্ডৰ অধীনৰ সংস্থাসমূহক মাই ভাৰত পৰিৱেশ তন্ত্ৰৰ সৈতে চিনাকি কৰাই দিয়াই এই সমাৰোহৰ মূল উদ্দেশ্য।

এই সমাৰোহৰ জৰিয়তে যুৱ প্ৰজন্মৰ উন্নয়ন আৰু ঔদ্যোগিক পদক্ষেপসমূহত দেশৰ যুৱ প্ৰজন্মৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰিব বিচৰা হৈছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া বিভাগৰ মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই কয়, যে দেশৰ যুৱ প্ৰজন্ম হৈছে ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰধান চাবিকাঠী। তেওঁ কয়, যে উদ্যোগ আৰু মাই ভাৰতৰ সমন্বিত প্ৰচেষ্টাই দেশৰ যুৱ শক্তিক ৰাষ্ট্ৰীয় উন্নয়নৰ লক্ষ্য প্ৰাপ্তিত সহায় কৰিব। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী ৰক্ষা খাড়্ছেই কয়, যে মন্ত্ৰালয়ে উদ্যোগ আৰু ঔদ্যোগিক সংস্থাসমূহে যুৱ প্ৰজন্মক সাঙুৰি পৃথকে পৃথকে কৰি থকা কামসমূহ লক্ষ্য কৰিব।

০০০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগাম আৰু বালটল দুয়োটা পথেৰে আজি বাৰ্ষিক অমৰনাথ যাত্ৰা আৰম্ভ হ'ব। এই ৫৭ দিনীয়া তীৰ্থ যাত্ৰাৰ সময়ত দেশৰ বিভিন্ন প্ৰান্তৰ লাখ লাখ ভক্তই পৱিত্ৰ অমৰনাথ গুহা দৰ্শন কৰাৰ সম্ভাৱনা আছে। ভক্তসকলে প্ৰতিবছৰে ভগৱান শিৱৰ আশীষ বিচাৰি প্ৰাকৃতিকভাৱে বৰফেৰে গঠিত শিৱলিংগ দৰ্শনৰ উদ্দেশ্যে প্ৰায় ৩ হাজাৰ ৮৮৮ মিটাৰ উচ্চতাত অৱস্থিত পৱিত্ৰ অমৰনাথ গুহা ভ্ৰমণ কৰে। অহা ২৮ আগষ্টত ৰাখী বন্ধনৰ দিনা এই যাত্ৰাৰ সামৰণি পৰিব।

তীৰ্থযাত্ৰীৰ প্ৰথমটো দল আজি পুৱা অনন্তনাগ জিলাৰ নুনোৱাল আৰু বালটলৰ মূল শিবিৰৰ পৰা পৱিত্ৰ অমৰনাথ গুহা দৰ্শনৰ বাবে ৰাওনা হয়। উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে বাৰ্ষিক অমৰনাথ যাত্ৰাত অংশগ্ৰহণ কৰা সকলো তীৰ্থযাত্ৰীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে অমৰনাথ যাত্ৰা দেশৰ সবাতোকৈ পৱিত্ৰ আৰু প্ৰাচীন তীৰ্থযাত্ৰাসমূহৰ অন্যতম এই যাত্ৰাই দেশৰ অনাদি-অনন্তকালৰ পৰা চলি অহা আধ্যাত্মিক ঐতিহ্য আৰু আস্থা তথা ভক্তিৰ স্বাস্বত পৰম্পৰা সূচায়। তেওঁ লগতে ভগৱান শিৱৰ আশিষে প্ৰতিগৰাকী তীৰ্থযাত্ৰীক শান্তি আৰু আধ্যাত্মিক সন্তুষ্টি লাভত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তীৰ্থযাত্ৰীসকললৈ লিখা এখন পত্ৰত বাৰ্ষিক অমৰনাথ যাত্ৰাত এখন আধ্যাত্মিক পৰম্পৰা আৰু সাংস্কৃতিক একতাৰ স্বাস্বত অধ্যায় পুলি অভিহিত কৰে। তেওঁ কয়, যে পৱিত্ৰ শিৱলিংগৰ দৰ্শনে লাখ লাখ ভক্তক অবিস্মৰণীয় আৰু পৱিত্ৰ অভিজ্ঞতা প্ৰদান কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে ভক্তসকলক যাত্ৰাৰ সময়ত পাঁচটা সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইয়াৰ ভিতৰত - যাত্ৰাকালত পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখা, নিৰাপত্তা আৰু প্ৰশাসনিক নীতি-নিৰ্দেশনা কঠোৰভাৱে মানি চলা, যাত্ৰা ব্যয় কমেও ১০ শতাংশ স্থানীয় সামগ্ৰী ক্ৰয়ৰ বাবদ ব্যয় কৰি অঞ্চলটোত থলুৱা অৰ্থনীতিলৈ অৱদান আগবঢ়োৱা 'মাতৃৰ নামত এজোপা গছ' অভিযানৰ প্ৰসাৰৰ বাবে ৰাখীবন্ধনৰ দিনা ভাতৃ-ভগ্নীক গছপুলি উপহাৰ দিয়া আৰু সততাৰে কৰ্তব্য পালন কৰি আৰু বিকশিত ভাৰত গঢ়াৰ দৃষ্টিভংগী লৈ অৱদান আগবঢ়াই ৰাষ্ট্ৰ প্ৰথম ভাৱনাক আগুৱাই নিয়া অন্যতম।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তেওঁৰ বাৰ্তাত কয়, যে অমৰনাথ যাত্ৰা সনাতন সংস্কৃতিৰ প্ৰতি অভূতপূৰ্ব ভক্তি, ধৈৰ্য আৰু সংযমৰ পৱিত্ৰ প্ৰতীক। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে অমৰনাথ যাত্ৰাপথত কটকটীয়া সুৰক্ষাৰ ব্যৱস্থা কৰিছে।

০০০০০০০০

ছুইজাৰলেণ্ড, স্পেইন আৰু পৰ্টুগালে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছুইজাৰলেণ্ডে আজি পুৱা চাৰে ৮ বজাত কানাডাত অনুষ্ঠিত নকআউট পৰ্যায়ৰ এখন খেলত আলজেৰিয়াক ২-০ গ'লত পৰাজিত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। এম্বলোৱে খেলখনৰ ১০ মিনিটত গ'ল দি ছুইজাৰলেণ্ডক অগ্ৰগতি প্ৰদান কৰে। খেলখনৰ দ্বিতীয়াৰ্ধৰ ১ মিনিট পাছত ন্দৰে দ্বিতীয়টো গ'ল দি দলক শক্তিশালী স্থিতিত উপনীত কৰে। মঙলবাৰে হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ঘানাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

একেদৰে, পৰ্টুগালে আজি পুৱা অনুষ্ঠিত নক আউট পৰ্যায়ৰ আন এখন খেলত ক্ৰ'ৱেছিয়াক ২-১ গ'লত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। মঙলবাৰে ডালাছত হ'বলগীয়া প্ৰি কোৱাৰ্টাৰ ফাইনেলত দলটো স্পেইনৰ সন্মুখীন হ'ব।

ইপিনে, স্পেইনে যোৱানিশা কেলিফৰ্ণিয়াত অনুষ্ঠিত নক আউট পৰ্যায়ৰ এখন খেলত অষ্ট্ৰিয়াক ৩-০ গ'লত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। স্পেইনৰ হৈ মিকেল অ'য়াৰজাৱালে ৩৬ মিনিটত গ'ল দি দলক ১-০ৰ অগ্ৰগতি প্ৰদান কৰে। ইয়াৰ পাছত পেদ্ৰ' পোৰোই ৬৬ মিনিটত দ্বিতীয়টো গ'ল দি দলৰ স্থিতি সুদৃঢ় কৰে। অ'য়াৰজাৱালে ৮৯ মিনিটত আৰু এটা গ'ল দি দলৰ জয় নিশ্চিত কৰে।

০০০০০০০০০

সমাপ্ত